**2 0 2 4**

# ASSAMESE

( Honours Core )

Paper : ASM–HC–1016

( অসমীয়া সাহিত্যৰ বুৰঞ্জী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনগৰাকী পণ্ডিতে প্ৰথমে অসমীয়া সাহিত্যৰ যুগ বিভাগ কৰিছিল ?

(খ) বাণীকান্ত কাকতিৰ গৱেষণা-গ্ৰন্থখনৰ নাম কি ?

(গ) অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন কি ?

(ঘ) শংকৰদেৱে কাক 'পূৰ্ব কবি অপ্ৰমাদী' আখ্যা দিছিল ?

(ঙ) 'শ্ৰীকৃষ্ণকীৰ্তন' পুথিখন কোনগৰাকী বঙালী পণ্ডিতে উদ্ধাৰ কৰিছিল ?

(চ) কোনখন অসমীয়া-বাংলা উমৈহতীয়া সাহিত্যত ধৰ্মদেৱতা বা ধৰ্মপূজাৰ কথা পোৱা যায় ?

(ছ) প্ৰাক্-শংকৰী যুগৰ কবি হেমসৰস্বতীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজনৰ নাম কি?

(জ) কালিৰাম মেধিয়ে বৰগীতক কি বুলি আখ্যা দিছে?

(ঝ) কোনগৰাকী পাঁচালী কবিৰ পদাৱলী জনমানসত 'সুকনান্নী' নামেৰে পৰিচিত?

(ঞ) ভট্টদেৱে কাৰ নিৰ্দেশত 'কথা-গীতা' আৰু 'কথা-ভাগৱত' ৰচনা কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) হেমসৰস্বতী ৰচিত দুখন কাব্যৰ নাম লিখা।

(গ) সৰ্বমুঠ কিমানগৰাকী সিদ্ধাচাৰ্যৰ কথা পোৱা যায় আৰু ইয়াৰে প্ৰথমগৰাকী সিদ্ধাচাৰ্যৰ নাম কি?

(ঘ) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ ৰচক কোন? এই গ্ৰন্থখন প্ৰথমে ১৯৫৯ চনত কি নামেৰে প্ৰকাশ হৈছিল?

(ঙ) কোনখন গ্ৰন্থক 'হেজাৰী ঘোষা' নামেৰেও জনা যায়? গ্ৰন্থখনৰ ৰচক কোন?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ডাকৰ বচন

(খ) শূন্য পুৰাণ

(গ) হৰিবৰ বিপ্ৰ

(ঘ) অংকীয়া নাটৰ ভাষা

(ঙ) ঝুমুৰা

(চ) পাঁচালী সাহিত্য

৪। (ক) অসমীয়া সাহিত্যক কি কি যুগত, কেনেদৰে ভাগ কৰিব পাৰি, আলোচনা কৰা। ১০

*অথবা*

(খ) পণ্ডিতসকলে অসমীয়া সাহিত্যৰ যুগবিভাগ কেনেদৰে কৰিছে, আভাস দিয়া।

৫। (ক) অসমীয়া সাহিত্যলৈ শংকৰদেৱৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) অসমৰ ভক্তি আন্দোলনৰ প্ৰধান বিশেষত্বসমূহ কি কি, ফঁহিয়াই দেখুওৱা।

৬। (ক) অসমীয়া সাহিত্যৰ ইতিহাসত চৰ্যাপদৰ স্থান আৰু গুৰুত্ব সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) উমৈহতীয়া সাহিত্য বুলিলে কি বুজা? 'শ্ৰীকৃষ্ণকীৰ্তন'ক কিয় উমৈহতীয়া সাহিত্যৰ শ্ৰেণীত ধৰা হয়, ব্যাখ্যা কৰা।

৭। (ক) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখা। ১০

*অথবা*

(খ) মাধৱ কন্দলিৰ পৰিচয় আৰু সাহিত্যিক প্ৰতিভা সম্পৰ্কে চমুৰাই আলোচনা কৰা।

★★★